সংস্কৃতি শব্দটো লেটিন ভাষাৰ Cultura শব্দৰপৰা উৎপত্তি হৈছে। লেটিন শব্দ Culturaৰ অৰ্থ হৈছে মাটি চহ কৰা কাৰ্য্য। সাধাৰণতে সংস্কৃতি বুলিলে সঙ্গীত, নৃত্য, মাৰ্জিত আচৰণ, ভাস্কৰ্য্য আদি বিভিন্ন সূক্ষ্ম কলাৰ কথাকেই বহুতে বুজাব বিচাৰে। সমাজতত্ত্বৰ দৃষ্টিভঙ্গীত ইয়াৰ অৰ্থ অধিক বহল। বিখ্যাত সমাজ বিশেষজ্ঞ "Primitive Culture" নামৰ গ্ৰন্থখনৰ লিখক ই. বি. টাইলৰ'ৰ মতে, "সংস্কৃতি এনেকুৱা এক মিশ্ৰণ যি জ্ঞান, বিশ্বাস, কলা, নীতি, আইন, আচৰণ আদি মানুহে আহৰণ কৰিব লগা সকলো জ্ঞান সামৰি লয়"। সংস্কৃতি শব্দটো ইমানেই ব্যাপক যে ই সকলো মানৱীয় কাৰ্য্যকে সামৰি লয়। "মানৱীয়" এই শব্দটোৱে মানুহৰ জান্তৱ প্ৰবৃত্তি আৰু কামবোৰক সামৰি নলয়। মানুহৰ যিবোৰ আচৰণ আৰু কৰ্মৰ মাজেদি তাৰ হৃদয়বৃত্তি আৰু মস্তিস্কৰ পৰিশীলিত প্ৰকাশ ঘটে, সেইবোৰ কৰ্মই সংস্কৃতিৰ ভিতৰুৱা, গতিকে সংস্কৃতিৰ পিছফালে আছে মানুহৰ চিন্তা, আদৰ্শ, কল্পনা বা অনুভৱ আৰু সৌন্দৰ্য্যবোধ। অৰ্থাৎ সংস্কৃতিৰ উৎস মানুহৰ মনোজগত। মানুহে তাৰ

**সংস্কৃতিৰ সংজ্ঞা (Definitions of Culture)ঃ**

সংস্কৃতি সম্বন্ধে বিভিন্ন সমাজ বিজ্ঞানীয়ে বিভিন্ন ধৰণৰ সংজ্ঞা

Scanned with CamScanner

৬। ছৰ'কিন আৰু মেক্ আইভাৰ (Sorokin and MacIver) ৰ মতে, মানুহৰ নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক প্ৰাপ্তিসমূহক সংস্কৃতি বুলি ক'ব পাৰি। (Culture stands for the moral, spiritual and intelleetual attainments of men.)

Scanned with CamScanner

## সংস্কৃতিৰ বৈশিষ্ট্য (Characteristics of culture)ঃ

সংস্কৃতিৰ মূল বৈশিষ্ট্যসমূহ হ'ল

১/ সংস্কৃতি এটা জটিল গোট যাক বহলকৈ দুটা ভাগত ভগাব পাৰি- পাৰ্থিৱ আৰু অ-পাৰ্থিৱ। পাৰ্থিৱ সংস্কৃতি আমাৰ ইন্দ্ৰিয়ই বুজিব পৰা বিষয়ত থাকে যেনে সাজ-পোছাক, ঘৰৰ আচবাব পত্ৰ, মেচিন, ৰন্ধাৰ সঁজুলি ইত্যাদি। অ-পাৰ্থিৱ সংস্কৃতিত থাকে ৰীতি-নীতি, পৰম্পৰা, দলীয় অভ্যাস, জ্ঞান ইত্যাদি। কিন্তু দুয়োটা এনেদৰে জড়িত হৈ থাকে যে পাৰ্থিৱ আৰু অ-পাৰ্থিৱ বিষয়ক পৃথক কৰিব নোৱাৰি

২/ সংস্কৃতি যুগ যুগ ধৰি মানুহে অৰিহণা যোগাৱা সমাজৰ বিষয় সম্পদ যাক বৰ্তমানৰ ব্যক্তিসকলে আহৰণ কৰিব বিচাৰে। ই আৰ্জিতহে।

৩/ সংস্কৃতি সামাজিক জটিল গোট য'ত বহুত ধৰণৰ বৈশিষ্ট্য ইটো-সিটোৰ লগত ঘনিষ্ঠ ভাৱে জড়িত হৈ থাকে।

৪/ সংস্কৃতিত ৰক্ষণশীল আৰু সৃজনীমূলক দুয়োবিধ আচৰণ দেখিবলৈ পোৱা যায়।

৫/ সমাজৰ প্ৰয়োজন পূৰণ কৰিবলৈ মানুহৰ সৃজনীমূলক প্ৰতিভা প্ৰকাশ পালেও ই সংৰক্ষিত সামাজিক সম্পদৰ লগত মিলি যায়।

৬/ সংস্কৃতি গতিশীল আৰু পৰিবৰ্তনশীল।

৭/ সংস্কৃতি মানুহৰ আন্তঃক্ৰিয়া বা আদান-প্ৰদানৰ যোগেৰে এটা পুৰুষৰপৰা আনটো পুৰুষলৈ হস্তান্তৰিত হয়।

৮/ সংস্কৃতিয়ে বিভিন্নতাৰ মাজতো মানুহৰ আচৰণৰ ঐক্য বজাই ৰাখে।

৯/ বৰ্তমান সমাজত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই সংস্কৃতি জটিল কৰি তুলিলেও, ই সদায় প্ৰগতিশীল হৈ আছে।

১০/ প্ৰস্তৰ যুগৰপৰা, বৰ্তমান যুগলৈ হোৱা মানুহৰ আচৰণৰ পৰিবৰ্তন আৰু পৰিৱৰ্তিত জীৱন ধাৰাই সংস্কৃতিৰ প্ৰগতিশীল অৱস্থা বুলি প্ৰমাণ কৰে।

১১/ সংস্কৃতি আৰ্জিত হ'লেও ইয়াৰ সৃষ্টি মানুহৰ জন্মজ প্ৰয়োজন আৰু প্ৰবৃত্তিৰ পৰা হয়। ইত্যাদি।

Scanned with CamScanner